# সামাজিক আন্দোলন ঃ শ্ৰমিক, কৃষক, পৰিৱেশ আৰু নাৰী আন্দোলন

# Social Movements : Workers, Peasants, Environmental and Women's Movement

**পাতনি (Introduction) ঃ** সমসাময়িক ভাৰতৰ নাগৰিক সমাজৰ অধ্যয়নৰ এটি গুৰুত্বপূৰ্ণ সমাজতাত্ত্বিক ক্ষেত্ৰ হ'ল সামাজিক আন্দোলন, বিশেষকৈ নব্য সামাজিক আন্দোলন (New Social Movement)। সমাজতত্ববিদ ঘনশ্যাম শ্বাহৰ মতে, সাম্প্ৰতিক কালত এনে সামাজিক আন্দোলনক নব্য সামাজিক আন্দোলন বুলি কোৱাটো অধিক যুক্তিযুক্ত, কিয়নো সময় আৰু পৰিস্থিতিৰ সলনিৰ লগে লগে এনে আন্দোলনৰ গণভিত্তি, ভাবাদৰ্শৰ চৰিত্ৰ আৰু আধাৰ, লক্ষ্য, উদ্দেশ্য ইত্যাদিৰ যথেষ্ট পৰিৱৰ্তন পৰিলক্ষিত হৈছে। এনে সামাজিক আন্দোলনসমূহে ভাৰতীয় গণতন্ত্ৰক নতুন মাত্ৰা প্ৰদান কৰিছে। ৰজনী কোঠাৰীৰ মতে, এনে সামাজিক আন্দোলনসমূহক ভাৰতীয় গণতান্ত্ৰিক ব্যৱস্থাৰ মূল আধাৰ বুলি ক'ব পাৰি। বহু সময়ত এনে সামাজিক আন্দোলনসমূহে সামাজিক, ৰাজনৈতিক, ঐতিহাসিক ধাৰাক পৰিৱৰ্তন আৰু প্ৰভাৱিত কৰা পৰিলক্ষিত হয়। সামাজিক পৰিৱৰ্তনৰ লগতে ৰাজনৈতিক আৰু অৰ্থনৈতিক পৰিৱৰ্তনৰ ক্ষেত্ৰত সামাজিক আন্দোলনৰ ভূমিকা অতি মহত্বপূৰ্ণ।

**সামাজিক আন্দোলনৰ সংজ্ঞা (Defining Social Movement) ঃ** ইউৰোপত শিল্প বিপ্লৱৰ পিছত ক্ৰমবৰ্ধমান সামাজিক আৰু অৰ্থনৈতিক অসমতাই বিশ্বৰ বিভিন্ন সমাজত সামাজিক আন্দোলনক নতুন তত্ত্বগত মাত্ৰা প্ৰদান কৰিছিল। ডেনিছ ইতিহাসবিদ লৰেঞ্জ ভন ষ্টেইনে (Lorenz-von-stein) সমাজৰ কেতবোৰ অৱস্থাৰ পৰিৱৰ্তনৰ হকে আগবাঢ়ি অহা প্ৰচেষ্টাক সামাজিক আন্দোলন বুজাইছিল। (Stein defined social movement as people coming together to change the conditions of society) সামাজিক আন্দোলনৰ ষ্টেইনৰ এনে ধাৰণাই পৰৱৰ্তী কালত জাৰ্মান আৰু অষ্ট্ৰিয়াৰ ইতিহাসবিদৰ অধ্যয়নত বিশেষ প্ৰভাৱ পেলাইছিল। এওঁলোকে শ্ৰমিক শ্ৰেণীৰ আন্দোলনক সামাজিক আন্দোলন হিচাপে মান্যতা দিবলৈ বিচাৰিছিল।

সমাজ তাত্ত্বিক ধাৰণাৰ দৃষ্টিকোণৰ পৰা সামাজিক আন্দোলনৰ অধ্যয়নে পৰৱৰ্তী কালত নতুন মাত্ৰা লাভ কৰিছিল। সমাজতত্ত্ববিদ গাই ৰছাৰে (Guy Rocher) ক'ব খোজে যে সামাজিক আন্দোলন হ'ল এটা সুনিৰ্দিষ্ট আৰু সামাজিক সংগঠন, যিবোৰে কেতবোৰ সমূহীয়া উদ্দেশ্য আৰু লক্ষ্যক প্ৰতিৰোধ অথবা প্ৰসাৰ ঘটোৱাৰ বাবে মানুহক ঐক্যবদ্ধ কৰে। (Social movement is a clearly structured and identifiable organisation, which has explicit goals of grouping members with a view to defence or promotion of certain precise objectives, generally with a social connotations. (An Introduction to General sociology– Guy Rocher, 1972) ভাৰতৰ উপনিৱেশিক শাসনৰ বিৰুদ্ধে ঐক্যবদ্ধ ভাৰতীয় সমাজক এনে সামাজিক আন্দোলনৰ উদহাৰণ বুলি ক'ব পাৰি। According to Yogendra Singh 'Social movement is a process of collective mobilisation of people in a society in an organised manner under an individual or collective leadership in order to realise an ideologically defined social purpose.'

সামাজিক আন্দোলনৰ একো একোটা সুস্পষ্ট বা সুনিৰ্দিষ্ট আদৰ্শ থকাটো নিতান্তই প্ৰয়োজন। এনে ভাবাদৰ্শৰ ওপৰতেই সামাজিক আন্দোলনৰ লক্ষ্যসমূহ নাগৰিক সমাজে নিৰ্ধাৰণ কৰে। সেই ফালৰপৰা চাবলৈ গ'লে প্ৰকৃতিগত ফালৰপৰা সামাজিক আন্দোলনবোৰ এনে ধৰণৰ—



Scanned with CamScanner